Acc.No: 41

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# NSS volunteers for Delhi R-Day parade camp

GUWAHATI, Jan 3: Two NSS volunteers of Gauhati University NSS cell Gitanjali Das of DK Girls' College, Mirza, and Pratik Permey of Dispur College along with one NSS volunteer each from Dibrugarh University and Assam Agriculture University representing Assam are taking part in Republic Day parade camp in New Delhi.

The GU NSS volunteers are part of the team from the northeastern region comprising 18 NSS volunteers from Assam, Arunachal Pradesh, Nagaland, Manipur, Mizoram, Tripura, Meghalaya and Sikkim selected with active cooperation of the Director of NSS, NE.

The NE team, led by Dr Mitali Kathkatia, NSS programme officer, DK Girls' College from GU NSS cell, will take part in the Republic Day parade along with various cultural and other prestigious programmes during the monthlong parade camp. The team, during the camp, will get a chance to meet the President, Vice President and the Prime Minister. – City Correspondent

The Assam Tribune = 04 January - 2020 . P = 7

Acc.No: 42

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্প আৰু ছাত্ৰী নিৱাস উদ্বোধন



**পলাশবাৰীৰ প্ৰতিবেদক, ১৯ জানুৱাৰী ঃ** কামৰূপ জিলাৰ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্প আৰু ছাত্ৰী নিৱাস ৮ জানুৱাৰীত উদ্বোধন কৰা হয়। উল্লেখ্য, বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ-সাহায্যৰে নিৰ্মিত ক্ৰীড়া প্ৰকল্পটোত বেডমিণ্টন আৰু টেবুল টেনিছ খেলৰ সম্পূৰ্ণ সুবিধা উপলব্ধ হ'ব। প্ৰকল্পটো যুটীয়াভাৱে উদ্বোধন কৰে ক্ৰমে কুমাৰ ভাস্কৰ বাৰ্মা সংস্কৃত আৰু প্ৰাচীন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ উত্তৰ-পূব ক্ষেত্ৰৰ উপ-সচিব ড° জি চি মিৰেগু আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। ইফালে একেদিনাই বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ-সাহায্যৰে নিৰ্মিত মহাবিদ্যালয়খনৰ ছাত্ৰী নিৱাসৰ দ্বিতীয় মহলাৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভানেত্ৰী তথা অৱসৰী অধ্যাপিকা হীৰা নেওগ আৰু কামৰূপ জিলাৰ উপায়ুক্ত কমল কুমাৰ বৈশ্যৰ প্ৰতিনিধি তথা পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সুস্বপ্না কাকতিয়ে। ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰি উপাচাৰ্য ড° শৰ্মাই কয় যে ক্ৰীড়া হ'ল অধ্যয়নৰ এৰাব নোৱৰা অংগ। প্ৰাচীন কালৰ পৰাই ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাত খেল-ধেমালিক বিশেষ গুৰুত্ব দি অহা হৈছে। নিজ বক্তব্যৰ সমৰ্থনত ড° শৰ্মাই প্ৰাচীন পুথি-পাজিৰ পৰা কেইবাটাও শ্লোক উদ্ধৃত কৰি উপস্থিত শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকক অভিভূত কৰে। খেল-ধেমালিও যে আজিৰ দিনত এক অৰ্থকৰী জীৱিকা হ'ব পাৰে সেই সম্পৰ্কেও তেওঁ বহলাই ব্যাখ্যা কৰে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ উপ-সচিব ড° মিৰেগুৱে খেল' ইণ্ডিয়া, ফিটনেছ ইণ্ডিয়া আদি আঁচনিৰ ব্যাখ্যা কৰি বিশ্ববিদ্যালয় অনুদান আয়োগে খেল-ধেমালিকো এক সম্পূৰ্ণ পাঠ্যক্ৰমৰূপে স্বীকৃতি দিয়াৰ বিষয়ে বহলাই ব্যাখ্যা কৰাৰ লগতে মহাবিদ্যালয় কৰ্তৃপক্ষই আয়োগৰ অনুমোদিত আঁচনি অনুসৰি ক্ৰীড়া প্ৰকল্প আৰু ছাত্ৰী নিৱাসটো মানসম্পন্ন আৰু সুন্দৰকৈ নিৰ্মাণ কৰি উলিওৱা বাবে সন্তুষ্টি প্ৰকাশ কৰে। আনহাতে, ছাত্ৰী নিৱাসৰ দ্বিতীয় মহলা উদ্বোধন কৰি অৱসৰী অধ্যাপিকা হীৰা নেওগে সুন্দৰ আৰু মানসম্পন্ন নিৰ্মাণৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক আৰু দুটা প্ৰকল্পৰ বাবে প্ৰয়োজনীয় ধন যোগান ধৰাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগক কৃতজ্ঞতা জ্ঞাপন কৰে। ইফালে উদ্বোধনী ভাষণত চক্ৰ বিষয়া সুস্বপ্না কাকতিয়ে ছাত্ৰী নিৱাসটোৱে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বহুদিনীয়া অভাৱ এটা পূৰণ কৰিব বুলি মত প্ৰকাশ কৰে। লগতে তেওঁ নিজৰ কলেজীয়া আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰী নিৱাসত কটোৱা দিনবোৰৰ স্মৃতি ৰোমন্থন কৰি ছাত্ৰী নিৱাসত কিদৰে জ্ঞানৰ গভীৰ চৰ্চা আৰু পাৰম্পৰিক বুজাবুজিৰ পৰিৱেশ ৰচনা হয় সেই বিষয়ে ছাত্ৰীসকলক বহলাই কয়। ছাত্ৰী নিৱাসৰ অভিজ্ঞতাৰে ছাত্ৰীসকলে দেশ আৰু দহৰ বাবে আত্মোৎসৰ্গা কৰাৰ অনুপ্ৰেৰণা লাভ কৰিব পাৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। মহাবিদ্যালয়খনৰ শিক্ষক, কৰ্মচাৰী আৰু শিক্ষাৰ্থীৰ লগতে চুবুৰীয়া কলেজৰ অধ্যক্ষ ড° নৱজ্যোতি দাস, পলাশবাৰী সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক ক্ৰমে যুগল বৈশ্য আৰু বলেন্দ্ৰ কুমাৰ তথা দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি পৃথিৱী দাসকে ধৰি বিশিষ্ট ব্যক্তিসকলে অংশ লোৱা সভাখনত শলাগৰ শৰাই আগবঢ়ায় উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই।

AMAR ASOM = 20 - January, 2020. P=10

আমাৰ অসম = 20 জানুৱাৰী = 2020. পৃ: ১০

Acc.No: 43

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# Inter college kho-kho, badminton tourneys

GUWAHATI, Jan 31: The Gauhati University Inter College Kho-kho and Badminton Tournament will be held at Dakshin Kamrup Girls' College, Mirza from February 3 to 6. Interested college teams affiliated to Gauhati University may visit www.dkgirlscollege.in for further details.

The Assam Tribune = 01 - February, 2020
page No = 18

Acc.No: 44

Dakshin Kamrup College Library
Estd. 1988
Mirza

**ক্ৰীড়াৰ বাবে আন্তঃগাঁথনি উন্নত হ'লেও অংশগ্ৰহণকাৰীৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস**

# মিৰ্জাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতা আৰম্ভ

**আমাৰ খবৰ, পলাশবাৰী, ৩ ফেব্ৰুৱাৰী ঃ** বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহযোগত মহাবিদ্যালয়সমূহত ক্ৰীড়াৰ আন্তঃগাঁথনি ক্ৰমাৎ উন্নত হৈ আহিছে যদিও গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়াত মহাবিদ্যালয়সমূহৰ অংশগ্ৰহণ অতি দুখ লগা। বিগত বৰ্ষত আন্তঃমহাবিদ্যালয় ক্ৰীড়াৰ ১৬টা বিভাগ অনুষ্ঠিত হৈছিল যদিও ইয়াৰ পৰিমাণ হ্ৰাসহে পায়। গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া প্ৰাধিকৰণৰ উপ-সঞ্চালক ড° দীনেশ কলিতাৰ এই বক্তব্য মিৰ্জাত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় খো খো আৰু বেড.মিণ্টন প্ৰতিযোগিতাত। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ পৰিচালনাত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° হেমন্ত কুমাৰ নাথ মুখ্য অতিথিৰূপে উপস্থিত থাকে। গুৱাহাটী বিশ্ববিদ্যালয়, বিশ্ববিদ্যালয় ক্ৰীড়া প্ৰাধিকৰণ আৰু মহাবিদ্যালয়খনৰ পতাকা ক্ৰমে পঞ্জীয়ক, উপ-সঞ্চালক আৰু অধ্যক্ষই উত্তোলন কৰাৰ পাছত খেলুৱৈক উদ্দেশ্যি পঞ্জীয়ক নাথে খেলত জিকাতকৈ হৰাজনৰ কৃতিত্ব বেছি বুলি কয়। হৰাজন বা হৰা দলটোৰ বাবেহে জিকা সম্ভৱ বুলি কৈ ড° নাথে জিকাতকৈ আটাইকে ভালদৰে খেলিবলৈ সকলোকে আহ্বান জনায়। দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ দাস আৰু সাধাৰণ সম্পাদক ৰাঘৱ চন্দ্ৰ দাসো উপস্থিত থকা উদ্বোধনী অনুষ্ঠানত প্ৰতিযোগিতা উপলক্ষে প্ৰকাশ কৰা স্মৰণিকাখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সুকুমাৰ মেধিয়ে। উদ্বোধনীত মহাবিদ্যালয়ৰ ছাত্ৰীয়ে পৰিৱেশন কৰা ৰাভা, বড়ো আৰু বিহু নৃত্যই অনুষ্ঠানত ৰহণ চ'ৰায়। উল্লেখ্য যে ল'ৰা-ছোৱালী উভয় শাখাতে অনুষ্ঠিত প্ৰতিযোগিতাখনত খো খোত পাঁচখন আৰু বেডমিণ্টনত ১১খন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখন ৬ ফেব্ৰুৱাৰীত সামৰণি পৰিব।

ASOMIYA KHABAR = 04 - Febauary, 2020 . P. = 5
অসমীয়া খবৰ = ০৪ - ফেব্ৰুৱাৰী, ২০২০ . পৃঃ = ৫

Acc.No: 45

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# মিৰ্জাত আন্তঃমহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা

পলাশবাৰীৰ প্ৰতিবেদক, ৩ ফেব্ৰুৱাৰী ঃ দক্ষিণ কামৰূপৰ স্ত্ৰী শিক্ষাৰ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত আজিৰ পৰা ছয় ফেব্ৰুৱাৰীলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° হেমন্ত কুমাৰ নাথ, ক্ৰীড়া প্ৰাধিকৰণৰ উপ-সঞ্চালক ড° দীনেশ কলিতা আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে পতাকা উত্তোলনেৰে খেল উদ্বোধন কৰে। প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা স্মৰণিকা আনুষ্ঠানিকভাৱে উন্মোচন কৰে দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সুকুমাৰ মেধিয়ে। প্ৰতিযোগিতাখনত খো-খো খেলত পাঁচখন আৰু বেডমিণ্টনত এঘাৰখন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছে।

AMAR ASOM = 04- Febomary, 2020 . P.No=15
আমাৰ অসম = 08 ফেব্ৰুৱাৰী, 2020 . পৃ = ১৫

Acc.No: 46

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বিশেষ সজাগতামূলক কাৰ্যসূচী

মিৰ্জাৰ প্ৰতিবেদক, ২২ মাৰ্চ ঃ সমগ্ৰ বিশ্বতে দ্ৰুতগতিত বৃদ্ধি পোৱা কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ, জনসাধাৰণে ল'বলগীয়া সাৱধানতা, কৰ'না ভাইৰাছৰ লক্ষণ আৰু কৰ'না ভাইৰাছ সংক্ৰমিত ব্যক্তিয়ে ল'বলগীয়া জৰুৰীকালীন চিকিৎসা আদি সন্দৰ্ভত গ্ৰাম্য অঞ্চলৰ ৰাইজৰ মাজত সজাগতাৰ উদ্দেশ্যে ২১ মাৰ্চত দক্ষিণ কামৰূপৰ অগ্ৰণী শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে মিৰ্জাৰ সোণতলা মজলীয়া বিদ্যালয়ৰ শিক্ষকসকলৰ সহযোগত অঞ্চলটোৰ আৱাসীসকল ঘৰে ঘৰে গৈ প্ৰচাৰ-পত্ৰিকা বিতৰণ কৰে। এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ বিষয়া অধ্যাপিকা ড° মিতালী কাঠকটিয়া, শিক্ষক গোটৰ সভাপতি ড° মালবিকা ৰয়, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱিকা আৰু সোণতলা মজলীয়া বিদ্যালয়ৰ শিক্ষকসকলে। একেদিনাই মিৰ্জাৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন সৰপাৰা ফ্ৰেণ্ডছ ক্লাবৰ উদ্যোগত তথা পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। এই কাৰ্যসূচী শুভাৰম্ভ কৰে পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰশ্মি বৰুৱা গগৈয়ে। চক্ৰ বিষয়াগৰাকীয়ে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ আৰু কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দ্বাৰা প্ৰস্তুত কৰা নিৰ্দেশনা মানি চলিবলৈ ৰাইজক আহ্বান জনায়। উদ্যোক্তাসকলে মিৰ্জা, বিজয়নগৰ, উপৰহালী, সৰপাৰা আদি অঞ্চলত অনুভাষ যন্ত্ৰযোগে ঘোষণা কৰাৰ লগতে প্ৰচাৰ পত্ৰিকা বিতৰণ কৰে।

AMAR ASOM = 23 march - 2020. P = 10
আমাৰ অসম = ২৩ মাৰ্চ - 2020. পৃ: ১০

★ Dakshin Kamrup Girls' College Library ★
Estd. 1988
Mirza

Acc.No: 47

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# GU cancels summer vacation

STAFF REPORTER

GUWAHATI, April 16: The Gauhati University on Thursday announced cancellation of the upcoming summer vacation as its academic activities have been greatly disrupted amidst the nationwide lockdown. The monthlong vacation starts from July 1 as per the academic calendar.

Different colleges affiliated to the University, however, have continued their classes through the online mode during this period. The authority of the Dakshin Kamrup Girls' College, located at Mirza on the western outskirts of Guwahati, said the college has already conducted 60 online classes in each department during the lockdown.

The online classes are being conducted by colleges via platforms like WhatsApp video call, WhatApp chat, the Zoom app, conference call, etc.

The Assam Tribune = 17 April -2020. P= 5